

বল পৃথিৱীৰ প্ৰায় ছভাগৰ এক অংশ আৰু সেয়ে পৃথিৱীত থকা যিকোনো বস্তুৰে ওজন চন্দ্ৰত ছগুণ কমি যায়।

আমাৰ পৃথিৱীৰ দৰে চন্দ্ৰতো দিন-ৰাতি আছে। পিছে সেয়া পৃথিৱীৰ দিনৰ লগত নিমিলে। পৃথিৱীৰ এটা দিনত ২৪ ঘণ্টা থাকে, পিছে চন্দ্ৰৰ এটা দিনত ২৯.৫ টা সৌৰদিন থাকে। ইয়াৰ কাৰণ হ'ল চন্দ্ৰই নিজৰ অক্ষত এপাক ঘূৰিবলৈ সিমান দিন লাগে। এই ২৯.৫ সৌৰদিনীয়া চান্দ্ৰদিনৰ পোন্ধৰটা সৌৰদিন চন্দ্ৰত উজ্জ্বল পোহৰ হৈ থাকে আৰু বাকী পোন্ধৰটা সৌৰদিন একেবাৰে আন্ধাৰ।

চন্দ্ৰত দিন-ৰাতি থাকিলেও তাত কোনো দোকমোকালি আৰু সন্ধিয়া নাই। কাৰণ তাত বায়ুমণ্ডল নাই। বায়ুমণ্ডল থকাহেঁতেনহে সেই বায়ুৰে চন্দ্ৰৰ পোহৰৰ আস্তৰণ ঘটাই দোকমোকালি বা সন্ধিয়াৰ সৃষ্টি কৰিব পাৰিলেহেঁতেন। দিনৰপৰা ৰাতি হ'বৰ সময়ত তাত হঠাতে অতি পোহৰৰপৰা একেবাৰে আন্ধাৰ হৈ যায়।

চন্দ্ৰৰপৰা অহা পোহৰ পৃথিৱীত পৰিবলৈ সময় লাগে প্ৰায় ১.৩ ছেকেণ্ড। অৰ্থাৎ সন্ধিয়া আমি যিটো চন্দ্ৰ দেখোঁ সেইটো আচলতে ১.৩ ছেকেণ্ড আগৰ চন্দ্ৰ।

১২০.৭ কিল'মিটাৰ ব্যাসৰ আৰু পৃথিৱীৰপৰা চন্দ্ৰৰ দূৰত্বৰ এক-তৃতীয়াংশ, অৰ্থাৎ প্ৰায় ১,১২,৬০০ কিল'মিটাৰ দীঘল এডাল পাইপ সাজিব পাৰিলে পৃথিৱীৰ সমুদায় সাগৰৰ পানী তাত ভৰাই থ'ব পৰা যাব।

সূৰ্যৰ পিছতে আকাশত আমি দেখা উজ্জ্বলতম জ্যোতিষ্কটো হ'ল চন্দ্ৰ। কিন্তু আপুনি জানেনে, পূৰ্ণিমাৰ ৪,০০,০০০ পূৰ্ণচন্দ্ৰ একেলগ হ'লেহে সূৰ্যৰ সমান হৈ জিলিকিব পাৰিব।

পৃথিৱীত আমি দূৰ-দূৰণিৰপৰা ভাহি অহা গান অথবা মানুহৰ কথা-বতৰা অৱস্থাভেদে স্পষ্ট বা অস্পষ্টভাৱে শুনিবলৈ পাওঁ। ওচৰত হ'লে এই মাত-কথা অধিক স্পষ্ট হয়। কিন্তু চন্দ্ৰপৃষ্ঠত দূৰৈৰপৰা চিঞৰাতো বাদেই, কোনোবা এজনে আপোনাৰ গাৰ কাষতে টেঁটুফালি চিঞৰিলেও আপুনি একো নুশুনিব। ইয়াৰ কাৰণ হ'ল মাত-কথা বা শব্দ তৰংগ ভাহি এজনৰপৰা আনজনৰ কাণত পৰিবলৈ চন্দ্ৰত বায়ুমণ্ডল নাই।

## জলে-বনে

### উদ

■ উদ (Otter) এবিধ স্তন্যপায়ী মাংসাহাৰী প্ৰাণী। সাধাৰণতে ইহঁতে নৈ, বিল, হ্ৰদ, সাগৰ আদিত বসবাস কৰে যদিও মাটিতো বিচৰণ কৰে। পৃথিৱীৰ প্ৰায়বোৰ ঠাইতেই উদ পোৱা যায়। ইহঁতৰ দেহ ঘন নোমেৰে আবৃত। এই ঘন নোমে উদৰ দেহ জলৰুদ্ধ আৰু গৰম কৰি ৰাখে। ইহঁতৰ গাৰ ৰং মুগা বৰণৰ। ঠেংবোৰ চুটি আৰু ঠেঙৰ পতা হাঁহৰ দৰে। পানীৰ মাজত থকা সময়ছোৱাত ইহঁতে নাক বন্ধ কৰি ৰাখিব পাৰে। উশাহ লোৱাৰ প্ৰয়োজন হ'লেই ওপৰলৈ মুখখন উলিয়াই উশাহ লয়। সাধাৰণতে একোটা উদ ১.২ মিটাৰ দীঘল হয়। অৱশ্যে কোনো কোনো অঞ্চলত ইয়াতকৈ সৰু উদো পোৱা যায়। এতিয়ালৈকে পোৱা আটাইতকৈ সৰু উদবিধৰ মূৰ আৰু দেহৰ দীঘ ৪১ ছেণ্টিমিটাৰ আৰু নেজৰ দীঘ ২৫ ছেণ্টিমিটাৰ; ওজন ৫ কিল'গ্ৰাম। আনহাতে আটাইতকৈ ডাঙৰ উদবিধৰ মূৰ আৰু দেহৰ দীঘ ১২৫ ছেণ্টিমিটাৰ আৰু নেজৰ দীঘ ৬৫ ছেণ্টিমিটাৰ, (১২৫ ছেণ্টিমিটাৰ + ৬৫ ছেণ্টিমিটাৰ = ১৯০ ছেণ্টিমিটাৰ, অৰ্থাৎ ১.৯ মিটাৰ)। ওজন ৩০-৩৫ কিল'গ্ৰাম।

নদীত থকা উদ সাধাৰণতে গাঁত নতুবা পাৰত থকা শিল আদিৰ খোৰোঙত সোমাই থাকে। কিবা বিপদ অহা যেন পালেই পানীলৈ জাঁপ মাৰি দিয়ে। ইহঁতে মাছ, ভেকুলী, শামুক, কেঁকোৰা আৰু অন্যান্য জলচৰ প্ৰাণী খায়। মাছ উদৰ প্ৰিয়। মাছ ধৰিবৰ সময়ত ইহঁতে জাক পাতি মাছ আক্ৰমণ কৰে। উদৰ দাঁত অতি তীক্ষ্ণ আৰু চোকা। ইহঁতে গান গোৱাৰ দৰে বিভিন্ন শব্দ কৰি সংগীক আকৰ্ষণ কৰে। সাধাৰণতে ৬০-৭০ দিনৰ গৰ্ভধাৰণৰ অন্তত উদে এবাৰত দুটা বা ততোধিক পোৱালি দিয়ে। ইহঁতৰ স্বাভাৱিক জীৱন কাল ১২ বছৰ।

পৰিৱেশ প্ৰদূষণ তথা বৃহৎ পৰিমাণে হোৱা চিকাৰৰ বাবে সম্প্ৰতি দ্ৰুত হাৰত উদৰ সংখ্যা কমি আহিছে। পৃথিৱীৰ বিভিন্ন ঠাইত উদৰ ছালৰপৰা তৈয়াৰ কৰা নোমাল পোছাকৰ যথেষ্ট চাহিদা আছে আৰু সেই



বাবেই দিনকদিনে উদ চিকাৰৰ হাৰ বাঢ়ি আহিছে। অৱশ্যে বৰ্তমান বহুতো দেশত উদ সংৰক্ষণৰ ব্যৱস্থা হাতত লোৱাৰ ফলত সাগৰীয় উদৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। সাধাৰণতে বন্য যদিও কোনো কোনোৱে উদক পোহনীয়া জন্তুৰূপেও লালন-পালন কৰে। এনে পোহনীয়া উদ কুকুৰৰ দৰেই প্ৰভুভক্ত হয়।

অসমীয়া সাহিত্যত উদক লৈ দুটা অৰ্থপূৰ্ণ ফকৰা আছে ঃ (১) উদক ভেঁটা-ৰখীয়া পতা (অৰ্থ ঃ যাৰ যি বস্তুলৈ লোভ, তাক সেই বস্তুৰ ৰখীয়া পতা) আৰু (২) উদৰ সাত পুৰুষে কেঁচা মাছ খোৱা (অৰ্থ ঃ পূৰ্বকালৰ চলিত ৰীতি সহজে এৰিব নোৱৰা)।

## বুদ্ধি-যুক্তি



১। গুপ্তধনৰ সন্ধানত গৈ বিক্ৰম এবাৰ এটা গুহাত আবদ্ধ হৈ পৰিল। গুহাটোৰপৰা ওলোৱা দুৱাৰ আছে চাৰিখন।

প্ৰথম দুৱাৰ ঃ দুৱাৰৰ মুখতে আছে বিশালাকায় তুষাৰখণ্ড।

দ্বিতীয় দুৱাৰ ঃ দুটা ক্ষুধাৰ্ত হাঙৰ আছে চিকাৰৰ অপেক্ষাত।

তৃতীয় দুৱাৰ ঃ বিশ্বৰ আটাইতকৈ বিষাক্ত গেছেৰে ভৰা।

চতুৰ্থ দুৱাৰ ঃ ইয়াত আছে এখন প্ৰকাণ্ড বিবৰ্ধক কাচ, যি সূৰ্য ৰশ্মিৰ শক্তি ১০০ গুণ বঢ়াই তোলে। ফলত এইখন দুৱাৰেদি কোনোবা সোমালে ছেকেণ্ডতে জ্বলি ভস্ম হৈ যাব।

কিন্তু ইয়াৰ মাজতো বিক্ৰম সুকলমেই এখন দুৱাৰেদি ওলাই গ'ল। কোনখন দুৱাৰ? কেনেকৈ ওলাল?

২। পুৰণা আৰু সহজ সাঁথৰ। চাওকচোন পাৰিবনে?

কৈ মৰিল কোন?
নকৈ মৰিল কোন?
দি মৰিল কোন?
নিদি মৰিল কোন?

### যোৱা সংখ্যাৰ 'বুদ্ধি-যুক্তি'ৰ উত্তৰ

১। ৩ আৰু ৪ নম্বৰ সিংহ।
২। ১৫।

**শান্তনু কৌশিক বৰুৱা,**
শুৱনি পথ, মংগলচণ্ডী থানৰ সমীপত,
বীৰকুছি, নাৰেংগী, গুৱাহাটী-৭৮১০২৬,
ফোন ঃ ৯৪৩৫০৮৯৩৭৫, ৭০৮৬৩৩৪০৯০
ই-মেইল ঃ santanukausik@gmail.com